এজন ব্যক্তি ৰাস্তাৰে গৈ আছিল, তেওঁ পথৰ মাজত এটা কাঁইটযুক্ত গছৰ ডাল পৰি থকা দেখা পালে আৰু তেওঁ সেইটোক আঁতৰাই দিলে, মহান আল্লাহে তেওঁৰ সেই কামটোৰ বিনিময়ত তেওঁক ক্ষমা কৰি দিলে।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "এজন ব্যক্তি ৰাস্তাৰে গৈ আছিল, তেওঁ পথৰ মাজত এটা কাঁইটযুক্ত গছৰ
ডাল পৰি থকা দেখা পালে আৰু তেওঁ সেইটোক আঁতৰাই দিলে, মহান আল্লাহে তেওঁৰ সেই
কামটোৰ বিনিময়ত তেওঁক ক্ষমা কৰি দিলে।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, এজন ব্যক্তি ৰাস্তাৰে গৈ আছিল, তেনেতে তেওঁ ৰাস্তাৰ মাজত এডাল কাঁইট যুক্ত ঠাৰি দেখা পালে, যিটোৰ দ্বাৰা পথচাৰীয়ে আঘাত পোৱাৰ সম্ভাৱনা আছে, সেয়ে তেওঁ সেই ঠাৰি ডাল পথৰ পৰা আঁতৰাই দিলে। তেওঁৰ এই কামটোক আল্লাহে পছন্দ কৰিলে আৰু তেওঁক ক্ষমা কৰি দিলে।

http://sunnah.global/hadeeth/as/show/6469